# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-04-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

---

আজি ব'হাগৰ পহিলা দিন। আজি অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটো পৰম্পৰাগতভাৱে ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। পহিলা ব'হাগ উপলক্ষে শিৱসাগৰ জিলাৰ ৰংঘৰ বাকৰিত আহোম শাসনকালৰ ঐতিহ্য প্ৰতিফলিত কৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। প্ৰতীকি স্বৰ্গদেউক লৈ তলাতল ঘৰৰ পৰা উলিওৱা শোভাযাত্ৰাই ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা সৃষ্টি কৰা পৰিলক্ষিত হৈছে। তলাতল ঘৰৰ পৰা হাতীত উঠি স্বৰ্গদেউ আহি ৰংঘৰত আসন গ্ৰহণ কৰাৰ লগে লগে ৰংঘৰৰ বাকৰিত ৰঙৰ মেলা আৰম্ভ হয়। পাৰম্পৰিক ৰীতি অনুযায়ী আহোম শাসনকালত নিৰ্মিত এছিয়াৰ প্ৰাচীনতম ব্যৱহৃত পেভেলিয়ন ৰংঘৰত বিহু উপলক্ষে মল্লযুঁজকে ধৰি বিভিন্ন খেল অনুষ্ঠিত হয়।

বিহু উপলক্ষে বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। তিনিচুকীয়াৰ চলিহানগৰ খেলপথাৰত আছুৰ উদ্যোগত মুকলি বিহুৰ আয়োজন কৰা হৈছে। মুকলি বিহুত মৰাণ, মটক, আহোম, চুতীয়া, নেপালী, সোণোৱাল কছাৰী, চাহ জনগোষ্ঠীৰ প্ৰতিনিধিয়ে নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰিব।

কামৰূপ জিলাতো বিগত বছৰৰ দৰে পৰম্পৰা ৰক্ষা কৰি ৰঙালীৰ বিহুৰ আয়োজন কৰা হৈছে। ৰঙিয়া মহকুমা ৰঙালী বিহু সন্মিলনীয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি বিহু, জ্যেষ্ঠজনক সেৱা আৰু কণিষ্ঠজনক আশীৰ্বাদ প্ৰদান, জেং বিহু আদিৰ আয়োজন কৰিছে। পূব ৰঙিয়া প্ৰগতি সংঘতো বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে।

ইফালে কাৰ্বি আংলং জিলাতো ৰঙালী বিহুৰ বিভিন্ন কাৰ্যসূচী পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত ডিফু ক্লাবত ডিফু কেন্দ্ৰীয় বিহু সমিতিৰ উদ্যোগত পতাকা উত্তোলনেৰে ৰঙালী উৎসৱৰ আৰম্ভণি কৰা হয়।

অসমীয়া নতুন বছৰৰ প্ৰথম দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত জনসাধাৰণে নামঘৰ, মন্দিৰ আৰু অন্যান্য ধৰ্মীয় উপাসনাস্থলীত সেৱা আগবঢ়ায়।

গোলাঘাট জিলাতো বিহু উপলক্ষে ঐতিহ্যমণ্ডিত আঠখেলীয়া নামঘৰ, চিকন আতাৰ থান, বাসুদেৱ থান ইত্যাদি ধৰ্মীয় স্থানসমূহত ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা দেখিবলৈ পোৱা যায়। মাজুলীতো ৩৫খন ঐতিহাসিক সত্ৰত ধৰ্মীয় ৰীতি-নীতিৰে আজি পহিলা ব'হাগৰ দিনটো উদযাপন কৰে। ইয়াৰ লগতে মাজুলীৰ মুদৈবিল গাঁৱত আউনীআটি সত্ৰৰ বৈষ্ণৱসকলে বোকাবিহু পালন কৰে।

০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলে ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰ গতিত অব্যাহত ৰাখিছে। দলসমূহে শীৰ্ষ নেতৃত্ব আৰু তাৰকা প্ৰচাৰকৰ উপস্থিতিত সমষ্টিসমূহৰ ঠায়ে ঠায়ে জনসমাবেশ, মটৰ চাইকেল সমদল, ৰোড শ্ব' আদি অনুষ্ঠিত কৰিও প্ৰচাৰ চলাইছে। তদুপৰি বিভিন্ন অঞ্চললৈ গৈ ভোটদাতা ৰাইজৰ সৈতে মত বিনিময় কৰি প্ৰাৰ্থীসকলে তেওঁলোকৰ মন জয় কৰাৰ চেষ্টা চলাইছে। অহা ১৭ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। এই সভাত প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে আজি তামুলপুৰত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এখন বৈঠকত মিলিত হয়। এই বৈঠকত বিজেপি মিত্ৰজোটৰ ভালেসংখ্যক নেতাকৰ্মী অংশ গ্ৰহণ কৰে। ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি হোজাই আৰু শোণিতপুৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। হোজাইত প্ৰচাৰ কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে, নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ শাসনকালত ৰাজ্যখনত ৯ হাজাৰ উগ্ৰপন্থী সংগঠনৰ সদস্যই অস্ত্ৰ সম্বৰণ কৰি মূল সুতিলৈ উভতি আহিছে। ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি খোৱাং বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। একেদৰে যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে যোৰহাট নগৰত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বিত্তমন্ত্ৰী অজন্তা নেওগে আজি যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ তিতাবৰত প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ooooo

ডিব্ৰুগড় জিলা প্ৰশাসন আৰু ডিব্ৰুগড় জিলা নিৰ্বাচনী বিভাগৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটগ্ৰহণত অংশগ্ৰহণ কোষৰ উদ্যোগত জিলাখনৰ বিভিন্ন ঠাইত ভোটদাতাৰ সজাগতা কাৰ্যসূচী হাতত লোৱা হৈছে। বিগত নিৰ্বাচনত ৭৫ শতাংশতকৈও কম ভোটদান হোৱা অঞ্চলসমূহত ভোটাৰ ৰাইজৰ সজাগতাৰ বাবে জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ তৎপৰতাত নিৰন্তৰ প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰ লগতে লোকসভা নিৰ্বাচনৰ ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৰাইজৰ বিপুল অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ বিভিন্ন অঞ্চলত অনুভাষ যন্ত্ৰ দ্বাৰা ভোটাৰ সজাগতা অভিযান অব্যাহত ৰখা হৈছে।

তিনিচুকীয়া জিলাতো বিভিন্ন অঞ্চলত ভোটদাতা সজাগতা কাৰ্যসূচী হাতত লোৱা হৈছে। ইয়াৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুবিধা আৰু সুচল পৰিস্থিতি সৃষ্টি কৰাৰ কাৰণে তিনিচুকীয়া জিলা প্ৰশাসনৰ তৎপৰতা পৰিলক্ষিত হৈছে। তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰসমূহত জিলা প্ৰশাসনৰ বিষয়াই পৰ্যবেক্ষণ অব্যাহত ৰাখিছে।

ইফালে যোৰহাট জিলাতো লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰিবলৈ জিলা আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। সম্ভাব্য কূটাঘাতমূলক পৰিস্থিতি ৰোধ কৰিবলৈ তালাচী চলোৱাৰ লগতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooo

অসমৰ খিলঞ্জীয়া জনজাতি মৰাণসকলৰ পুৰোধা ব্যক্তি বীৰ ৰাঘৱ মৰাণৰ ২৫৪ সংখ্যক তিৰোভাৱ তিথি আজি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে তিনিচুকীয়াৰ ন-ধুলিজান ৰাজহুৱা নামঘৰত কেন্দ্ৰীয়ভাৱে

আয়োজন কৰা স্মৃতিচাৰণ অনুষ্ঠানত অসম মৰাণ সভা আৰু অন্যান্য মৰাণ জনজাতীয় সংগঠনসমূহৰ সহযোগত দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০

সমাপ্ত